**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time :** 0705 Hrs

## *Assamese Morning Bulletin*
## *Headlines*

------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব।

২। জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক বিশ্বৰ বিভিন্ন দেশৰ নেতাই গৰিহণা দিছে।

৩। গৃহ মন্ত্ৰালয়ে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্তৰ দায়িত্ব ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এক অৰ্পণ কৰিছে।

৪। ইৰানৰ দক্ষিণ প্ৰান্তৰ বন্দৰ আববাছ চহৰৰ সমীপৰ ছাহিদ ৰাজা বন্দৰত কালি হোৱা ভয়াবহ বিস্ফোৰণত নিহতৰ সংখ্যা ১৪লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি পাঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক বিশ্বৰ বিভিন্ন দেশৰ নেতাই গৰিহণা দিছে। ইৰাণৰ ৰাষ্ট্ৰপতি মচুড পেজেছকিয়ানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফোন কৰি জম্মু-কাশ্মীৰৰ সন্ত্ৰা আক্ৰমণক গৰিহণা দিয়াৰ লগতে ভুক্তভোগীসকলৰ প্ৰতি সমবেদন জ্ঞাপন কৰে। সন্ত্ৰাসবাদৰ সৈতে জড়িত কোনো কাৰ্যৰ সপক্ষে কোনো ধৰণৰ যুক্তি থাকিব নোৱাৰে বুলি সহমত প্ৰকাশ কৰি দুয়োগৰাকী নেতাই মানৱতাত বিশ্বাসীসকল সন্ত্ৰাসবাদ বিৰোধী যুঁজখনত দৃঢ়তাৰে থিয় হোৱা উচিত বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে দেশৰ জনসাধাৰণৰ ক্ৰোধ আৰু যন্ত্ৰণাৰ কথা উল্লেখ কৰি কয়, যে এই সন্ত্ৰাসবাদী কাৰ্যত জড়িতসকলৰ লগতে ইয়াৰ সমৰ্থকসকলৰ ক্ষেত্ৰতো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কালি বন্দৰ আববাছত সংঘটিত বিস্ফোৰণত নিহত সকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰাৰ লগতে আঘাটপ্ৰাপ্তসকল আশুআৰোগ্য কামনা কৰে। সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মহম্মদ বিন জায়েদ আল নাহিয়ানে প্ৰধানমন্ত্ৰীক ফোন কৰি সন্ত্ৰাসবাদী আক্ৰমণত

নিহতসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। সন্ত্ৰাসবাদৰ যিকোনো ধৰণ বা ৰূপক সকলোৱে প্ৰত্যাখ্যান কৰা উচিত বুলি দুয়োগৰাকী নেতাই সহমত প্ৰকাশ কৰে।

০০০০

গৃহ মন্ত্ৰালয়ে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্তৰ দায়িত্ব ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এক অৰ্পণ কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে সংস্থাটোৱে এতিয়া এই সন্ত্ৰাসবাদী আক্ৰমণৰ আনুষ্ঠানিক তদন্ত কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় তদন্তৰ দলে আক্ৰমণ স্থলী পৰিদৰ্শন কৰিছিল। যোৱা ২২ এপ্ৰিলত পহলগামৰ বেইচৰন বনাঞ্চলত সংঘটিত এই আক্ৰমণত ২৬ জন লোকে প্ৰাণ হেৰুৱাইছিল।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ইজিপ্তৰ বিদেশ মন্ত্ৰী ড০ বদৰ আবদেলাট্টিৰ সৈতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমযোগে ড০ জয়শংকৰে ইজিপ্তৰ বিদেশ মন্ত্ৰীগৰাকীয়ে তেওঁৰ সৈতে ফোন যোগে কথা পতাৰ বিষয়ে উল্লেখ কৰি পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত ভাৰতক জনোৱা সমৰ্থনৰ বাবে ধন্যবাদ জনায়।

০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি য়ে চিকিৎসা বিজ্ঞানৰ স্নাত শাখাত নামভৰ্তিৰ বাবে চলিত বৰ্ষৰ নিট ইউ জিৰ সন্দেহজনক দাবীৰ বিষয়ে জনোৱাৰ বাবে এখন সুকীয়া মঞ্চ মুকলি কৰিছে। এন টি এ পৰীক্ষাৰ্থীসকলক ভুৱা দাবীৰে প্ৰবঞ্চনা কৰিব খোজা অসাধু ব্যক্তিসকলৰ কথাত ভোল নাযাবলৈ পৰামৰ্শ দিছে। সংস্থাটোৱে লগতে এনেধৰণৰ বিভ্ৰান্তিকৰ তথ্য আৰু এনে তথ্য বিয়পোৱা লোকৰ বিষয়ে ৪ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত এন টি এৰ ৱেবচাইট যোগে অৱগত কৰিবলৈ পৰীক্ষাৰ্থীসকলক অনুৰোধ জনাইছে।

০০০০

অহিংসা **ভাৰতৰ ধৰ্ম আৰু ইয়াৰ প্ৰমূল্যৰাজিৰ গুৰুত্বপূৰ্ণ অংশ** যদিও অত্যাচাৰী আৰু উদণ্ডসকলক শিক্ষা দিয়াটোও ইয়াৰ ধৰ্ম বুলি আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে মন্তব্য কৰিছে। নতুন দিল্লীত কালি দ্যা হিন্দু মেনিফেষ্টো নামৰ এখন গ্ৰন্থ উন্মোচন কৰি শ্ৰী ভাগৱতে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতে কেতিয়াও আনৰ হানী আৰু অসন্মান নকৰে কিন্তু কোনোবাই যদি বেয়া কৰিবলৈ সদায় তৎপৰ হৈ থাকে তেন্তে তাৰ কোনো নিৰাময় নাই। তেওঁ কয়, যে অহিংসা ৰাষ্ট্ৰত নিহিত হৈ আছে। তেওঁ কয়, যে **গীতা**য়ো অহিংসাৰ শিকনি দিয়ে যদিও অৰ্জুনেও যুদ্ধত ব্ৰতী হ'বলগীয়া হৈছিল, কিয়নো তেওঁ এনে কিছুমান লোকৰ সন্মুখীন হ'বলগীয়া হৈছিল যিসকলে অকল যুদ্ধৰ ভাষাহে বুজি পাইছিল।

০০০০

ইৰানৰ দক্ষিণ প্ৰান্তৰ বন্দৰ আববাছ চহৰৰ সমীপৰ ছাহিদ ৰাজা বন্দৰত কালি হোৱা ভয়াবহ বিস্ফোৰণত নিহতৰ সংখ্যা ১৪লৈ বৃদ্ধি পাইছে। এই বিস্ফোৰণত কমেও ৭৫০ জন লোক আহত হৈছে। দেশখনৰ অভ্যন্তৰীণ মন্ত্ৰী ইস্কন্দৰ মোমেনিয়ে এই বিষেয় সদৰি কৰিছে।

ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানে সামাজিক মাধ্যম যোগে এই বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমাবেদনা জ্ঞাপন কৰিছে। তেওঁ লগতে এই বিস্ফোৰণৰ কাৰণ উদঘাটন কৰাৰ বাবে তদন্তৰ নিৰ্দেশ দিছে। তেওঁ কয়, যে অভ্যন্তৰীণ মন্ত্ৰীক তেওঁৰ বিশেষ প্ৰতিনিধি হিচাপে বিস্ফোৰণৰ পুংখানুপুংখ তদন্তৰ বাবে অঞ্চলটোলৈ প্ৰেৰণ কৰা হৈছে।

০০০০

সন্ত্ৰাসবাদ বিৰোধী দলে সন্ত্ৰাসবাদী সংগঠন আই এছ আই এছ আৰু হিজাব-উট-তাহিৰৰ সৈতে জড়িত ৪ জন লোকক ঝাৰগুৰ ধনবাদ জিলাৰ ৱাছিপুৰ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰে। হিজাব-উট-তাহিৰৰ হৈ গোপনে কাম কৰা এই ৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত লোককেইজনৰ পৰা দুটা পিষ্টল আৰু ১২ টা কাৰ্টিজৰ লগতে লেপটপ, পেনড্ৰাইভ, স্মাৰ্ট ফোন আৰু অন্যান্য ইলেকট্ৰনিক সামগ্ৰী জব্দ কৰে।

০০০০

ইৰান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ পাৰমাণৱিক আলোচনাৰ তৃতীয় ৰাউণ্ড কালি মাস্কতত সম্পন্ন হয়। আলোচনাত দুয়ো পক্ষই অহা সপ্তাহত আলোচনা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে। ইৰানৰ পাৰমাণৱিক কাৰ্যসূচীক লৈ চলি থকা দশক দশক পুৰণি অচলাবস্থা দূৰ কৰাই এই আলোচনাৰ মূল উদ্দেশ্যে। আলোচনাৰ অন্তত ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ্ অৰাঘচিয়ে কয়, যে এই ৰাউণ্ডৰ আলোচনা পূৰ্বৰ তুলনাত অধিক গুৰুত্বপূৰ্ণ আছিল আৰু দুয়ো পক্ষই ক্ৰমাৎ পাৰমাণৱিক বিষয়ৰ কাৰিকৰী দিশে অগ্ৰসৰ হৈছে। ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানক পাৰমাণৱিক অস্ত্ৰ বিকশাই তোলাৰ পৰা বাৰণ কৰিব পৰা এখন নতুন চুক্তিত উপনীত হ'ব পৰা যাব বুলি আস্থা প্ৰকাশ কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত পাঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। কলকাতা নাইট ৰাইডাৰ্ছে ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এক অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৭ ৰান সংগ্ৰ কৰা অৱস্থাত বৰষুণে খেলখনত বিধিপথালি দিয়ে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২০১ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ প্ৰিয়াঞ্চ আৰ্যই ৬৯ আৰু প্ৰভছিমৰন সিঙে ৮৩ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই দুটা উইকেট দখল কৰে। পাঞ্জাব কিংছে বৰ্তমানলৈকে ৯ খন খেলৰ পৰা ১১ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। কলকাতা নাইটৰাডাৰ্ছ সমসংখ্যক খেলৰ পৰা ৭ পইণ্ট অৰ্জন কৰি সপ্তাম স্থানত আছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মুম্বাইত বিয়লি  চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া আজিৰ দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০

পি ভি সিন্ধু আৰু লক্ষে সেনে আজিৰে পৰা চীনৰ শ্বিয়ামেনত অনুষ্ঠিত হ'বলগীয়া ছুদীৰমন কাপ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব। ভাৰত, ডেনমাৰ্ক, ইণ্ডোনেছিয়া আৰু ইংলেণ্ডক প্ৰতিযোগিতাৰ গ্ৰুপ-ডিত স্থান দিয়া হৈছে। গ্ৰুপৰ প্ৰথম দুটা দলে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিব।   এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ ভিতৰত লক্ষ্য সেন, এইছ এছ প্ৰণয়, হৰিহৰন, ৰুবান কুমাৰ আৰ, ধ্ৰুৱ কপিলা, সতীশ কুমাৰ কৰুণাকৰন, অনুপমা উপাধ্যায়, তনিশা ক্ৰাষ্টো, প্ৰীয়া শ্ৰুতি মিশ্ৰ আৰু আদ্যা ৰৱিয়ট আছে। সাত্বিকছৈৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীটোৱে আঘাটৰ বাবে প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। আজি দিনৰ আঢ়ৈ বজাত হ'বলগীয়া গ্ৰুপ-ডিৰ প্ৰথমখন খেলত ভাৰত ডেনমাৰ্কৰ সন্মুখীন হ'ব।

০০০০

সমাপ্ত